সম্পাদকীয়

# গণিত বিকাশৰ ই-সংস্কৰণ

সাম্প্ৰতিক কোভিডসৃষ্ট অভূতপূৰ্ব পৰিস্থিতিৰ বাবে গণিত বিকাশৰ পঞ্চষষ্ঠিতম আৰু ষষ্ঠষষ্ঠিতম অৰ্থাৎ জুলাই-ডিচেম্বৰ ২০১৯ আৰু জানুৱাৰী-জুন ২০২০ সংখ্যা দুটা সংযুক্ত ৰূপত প্ৰকাশ কৰিবলগীয়া হ'ল। পৰিবৰ্তিত পৰিস্থিতিৰ বাধ্য বাধকতাই ইতিমধ্যে সকলোকে নতুন বিকল্পৰ আশ্ৰয় লবলৈ শিকাইছে। লগে লগে আমিও পৰীক্ষামূলকভাৱে গণিত বিকাশৰ এই ছপা সংস্কৰণটোৰ সহযোগী এটা ই-সংস্কৰণ পাঠকসকললৈ আগবঢ়ালোঁ। বিগত কিছু বছৰ ধৰি অসম গণিত শিক্ষায়তনৰ সাংগঠনিক মঞ্চত আলোচনীখনৰ ই-সংস্কৰণৰ বাবে সময়ে সময়ে একাংশ সদস্যৰ দ্বাৰা দাবী উত্থাপিত হৈ আহিছিল যদিও এতিয়ালৈ কোনো আনুষ্ঠানিক সিদ্ধান্ত লোৱা হোৱা নাছিল। কিন্তু ২০১৯ৰ শেষৰপিনে আৱিৰ্ভাৱ হোৱা আৰু এতিয়ালৈকে অপৰিৱৰ্তিত হৈ ৰোৱা ক'ভিড মহামাৰীৰ প্ৰাদুৰ্ভাৱে বাধ্য কৰা লকডাউন আৰু অচলাৱস্থাই অন্যান্যসকলৰ লগতে অসম গণিত শিক্ষায়তনকো সম্ভৱপৰ সকলোধৰণৰ কাম-কাজ পৰিচালনাৰ বাবে ডিজিটাল মাধ্যমৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ একপ্ৰকাৰ বাধ্য কৰালে। শিক্ষায়তনৰ উপযুক্ত মঞ্চত হয়তো গণিত বিকাশক ই-সংস্কৰণ ৰূপে প্ৰকাশ কৰাৰ বাবে খুব সোনকালে এক আনুষ্ঠানিক সিদ্ধান্ত লোৱা হ'ব (শেহতীয়াভাৱে এই সম্পাদকীয় লিখি থকাৰ সময়তে 'অগশি'ৰ কাৰ্যবাহী সমিতিয়ে গণিত বিকাশৰ ই-সংস্কৰণৰ পক্ষে এক সিদ্ধান্ত গ্ৰহণ কৰিছে)।

গণিত বিকাশ আলোচনীখন স্থায়ীভাৱে ই-সংস্কৰণৰূপে প্ৰকাশিত হোৱাৰ পিছত স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হ'ব যে ইয়াৰ বৰ্তমান ছপা সংস্কৰণটোৰ স্থিতি কি হ'ব? সন্দেহ নাই যে শিক্ষায়তনৰ জন্মলগ্নৰে পৰা জড়িত থকা বহু সদস্যৰ লগতে ৰাজ্যখনত এতিয়াও একাংশ গণিত প্ৰেমী পাঠক আছে যিসকলে ই-মাধ্যমত পঢ়া-শুনা কৰাত অভ্যস্ত নহয় অথবা, তেওঁলোকে ছপা সংস্কৰণত প্ৰকাশিত গণিত বিকাশখনৰ প্ৰতি এক বিশেষ আবেগিক আকৰ্ষণ অনুভৱ কৰে। অৱশ্যে এনে আকৰ্ষণ একেবাৰে অমূলকো নহয়।

অসম গণিত শিক্ষায়তনৰ জন্ম হৈছিল ১৯৮৬ চনৰ জুলাই মাহত। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা আয়োজিত আৰু সেই সময়ৰ কটন কলেজত অনুষ্ঠিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গণিতৰ বিষয় শিক্ষক শিক্ষয়িত্ৰীৰ এক গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণকাৰীসকলে ৰাজ্যখনৰ গণিত প্ৰেমীসকলক লৈ এখন মঞ্চ গঠন কৰাৰ বাবে প্ৰথম উদ্যোগ লৈছিল আৰু ফলস্বৰূপে সংশ্লিষ্ট সকলোপক্ষৰ অকুণ্ঠ সমৰ্থন ক্ৰমে অসম গণিত শিক্ষায়তনৰ আবিৰ্ভাৱ ঘটিছিল। পৰৱৰ্তী বছৰত অৰ্থাৎ ১৯৮৭ চনৰ জুলাইত অসম গণিত শিক্ষায়তনৰ প্ৰথম বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছিল আৰু উক্ত অধিবেশনতে গণিত বিকাশৰ প্ৰথম সংখ্যাটো উন্মোচিত হৈছিল। প্ৰথম সম্পাদক আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপিকা, সহকৰ্মী শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ অতি প্ৰিয়ভাজন প্ৰয়াত ড° অমলা বেজবৰুৱা। মাত্ৰ এমুঠিমান সদস্যই এটা বছৰৰ প্ৰস্তুতিৰে চৰকাৰ বা বাহিৰা কোনো পৃষ্ঠপোষকতা অবিহনেই শিক্ষায়তনৰ সংবিধান প্ৰণয়ন, সদস্য ভৰ্তিকৰণ, পুঁজি সংগ্ৰহ, গণিত অলিম্পিয়াড পৰিচালনা আদি কাৰ্যসূচীৰ উপৰিও ৰাজ্যখনৰ ভিতৰতে প্ৰথমবাৰৰ বাবে কেৱল গণিতক উপজীব্য কৰি গণিত বিকাশৰ দৰে এখন আলোচনী প্ৰকাশ কৰাটো কিদৰে সম্ভৱ কৰি তুলিছিল সেই কথা ভাবিলে তবধ মানিব লাগে। ড° অমলা বেজবৰুৱাৰ সম্পাদনাত প্ৰথমটো সংখ্যাতে গণিত বিকাশৰ অংগসজ্জা, সকলো শ্ৰেণীৰ গণিতপ্ৰেমী পাঠকক আকৰ্ষিত কৰিব পৰাকৈ ভিন্ন ৰুচিসম্পন্ন শিতান, অৰ্থপূৰ্ণ বেটুপাত এই সকলোকে ইমান নিখুঁত আৰু সুপৰিকল্পিতভাৱে প্ৰস্তুত কৰা হৈছিল যে সুদীৰ্ঘ চৌত্ৰিছ বছৰৰ পাছতো আলোচনীখনৰ সামগ্ৰিক আঙ্গিকত কোনো ধৰণৰ পৰিৱৰ্তন বা পৰিশোধন কৰাৰ কথা ভাবিব নোৱাৰি। একধৰণৰ আবেগে বাধা দিয়ে!

ড° অমলা বেজবৰুৱাই গণিত বিকাশৰ একেৰাহে প্ৰথম তিনিটা সংখ্যাৰ সম্পাদনা কৰিছিল আৰু তিনিটা সংখ্যাকে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত গুণগত মানৰ ক্ষেত্ৰত কোনো আপোচ নকৰাকৈ প্ৰকাশ কৰি উলিয়াইছিল আৰু সময়মতে সদস্যসকলৰ হাতত তুলি দিয়াৰ ব্যৱস্থা কৰিছিল।

গণিত বিকাশৰ পৰৱৰ্তী সংখ্যাসমূহ বেচ দীঘলীয়া সময়ৰ বাবে সম্পাদনা কৰিছিল সেই সময়ৰ কটন কলেজৰ গণিত বিভাগৰ সহযোগী অধ্যাপক (পিছলৈ মূৰব্বী অধ্যাপক) ড° দিলীপ শৰ্মাই। ড° অমলা বেজবৰুৱাই নিপুণ হাতেৰে সজাই তোলা গণিত বিকাশখনক ড° দিলীপ শৰ্মাই তেওঁৰ অনবদ্য কথাশৈলীৰে অধিক আকৰ্ষণীয় কৰি তুলিছিল আৰু পাঠকৰ মাজত ইয়াৰ সমাদৰ বৃদ্ধি কৰিছিল।

গণিত বিকাশৰ পৰৱৰ্তী সংখ্যাবোৰ বিভিন্ন সময়ত বিভিন্নজনে সম্পাদনা কৰিছে আৰু এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথাটো হৈছে যে বিগত চৌত্ৰিছ বছৰে ইয়াৰ মৰ্যাদা অকনো হানি বিঘিনি নোহোৱাকৈ অবিৰতভাৱে ই ছপা হৈ আছে আৰু বৰ্তমান সময়ত এক শ্ৰেণীৰ পাঠকৰ মনত ই এক সুকীয়া আসন অধিকাৰ কৰি আছে। নিশ্চিতভাৱে গণিত বিকাশৰ ছপা সংস্কৰণৰ অৱলুপ্তিয়ে হয়তো বহু পাঠকৰ মনত এক ধৰণৰ শূন্যতা আৰু আবেগবিহ্বলতাৰ সৃষ্টি কৰিব। কিন্তু আমি বিচাৰোঁ বা নিবিচাৰোঁ সকলো কথাৰে পৰিৱৰ্তন অৱশ্যম্ভাৱী। আবেগ সময়ৰ দাবী আৰু বাস্তৱ পৰিস্থিতিৰ উৰ্ধত হ'ব নোৱাৰে। জ্ঞান-বিজ্ঞানৰ নিত্য নতুন দিশ উন্মোচিত হোৱাৰ লগে লগে এইবোৰত গণিতৰ প্ৰভাৱ, প্ৰয়োগ তথা ব্যৱহাৰ এতিয়া সাৰ্বজনীকভাৱে স্বীকৃত হোৱা পৰিলক্ষিত হৈছে। প্ৰণালীবদ্ধ জ্ঞান অন্বেষণৰ প্ৰায় সকলো ক্ষেত্ৰতে গাণিতিক পদ্ধতিৰ বহুল প্ৰয়োগ ঘটিছে আৰু গণিতৰ এনে প্ৰয়োগে জ্ঞানান্বেষণৰ নতুন নতুন ক্ষেত্ৰ উন্মোচিত কৰাৰ সমান্তৰালভাৱে গণিতৰ নিজৰ ক্ষেত্ৰলৈও নিত্য নতুন ধাৰণাৰ আমদানি ঘটাইছে। প্ৰণালীবদ্ধ জ্ঞানান্বেষণৰ এক কাৰ্যকৰী আহিলা হিচাপে গাণিতিক পদ্ধতিৰ ঐতিহাসিক ভূমিকাৰ লগতে আনুষঙ্গিক অন্যান্য বিষয় সম্বন্ধে যৎকিঞ্চিৎভাৱে হ'লেও অৱগত কৰাবলৈ গণিত বিকাশে জন্মলগ্নৰে পৰাই চেষ্টা কৰি আহিছে। কিন্তু সাম্প্ৰতিক বিশ্বায়নৰ যুগত ডিজিটেল মাধ্যমে তথ্য সম্প্ৰচাৰ প্ৰণালীত যি অভূতপূৰ্ব সুবিধাৰ সৃষ্টি কৰিছে তাৰ পৰিপ্ৰেক্ষিতত ছমাহৰ মূৰে মূৰে ওলোৱা গণিত বিকাশৰ ছপা সংস্কৰণে পাঠকৰ বাবে আগ্ৰহ সৃষ্টি কৰিব পৰাকৈ প্ৰাসংগিক খা-খবৰ বা বিষয়ীগত জ্ঞান যোগান ধৰাত যথেষ্ট ঘাটি ৰৈ গৈছে। আলোচনীখনৰ প্ৰস্তুতিৰ বাবে প্ৰয়োজনীয় সময়, আৰ্থিক ব্যয়, বিক্ৰী তথা সদস্যৰ মাজত বিতৰণৰ সৈতে যুক্ত সমস্যাবোৰৰ কথা উল্লেখ নকৰিলোঁৱেই বা।

আপাত দৃষ্টিত গণিত বিকাশৰ ই-সংস্কৰণৰ পৰা পোনে পোনে পাব পৰা সম্ভাব্য সুবিধাসমূহ এনেধৰণৰ—

(১) বৰ্তমানৰ ছমহীয়া ছপা সংস্কৰণৰ ঠাইত অধিক বৈচিত্ৰ্যপূৰ্ণ শিতান আৰু বিষয়বস্তু সামৰি কমেও তিনিমাহৰ মূৰে মূৰে অৰ্থাৎ বছৰত মুঠ চাৰিখনকৈ ই-সংস্কৰণৰ গণিত বিকাশ প্ৰকাশ কৰাটো সম্ভৱ।

(২) আলোচনীখনৰ ই-সংস্কৰণ প্ৰকাশৰ লগে লগেই এইখন আমাৰ ৰাজ্যৰ লগতে দেশ বিদেশত থকা অসম গণিত শিক্ষায়তনৰ সদস্য আৰু দৰদীকে ধৰি সৰ্বস্তৰৰ গণিত প্ৰেমী অসমীয়া পাঠকৰ হাতত উপলব্ধ হ'ব।

(৩) আলোচনীখনৰ ই-সংস্কৰণে ছপা সংস্কৰণত হোৱা আৰ্থিক খৰচৰ বোজা বহুলাংশে কমাব।

(৪) ছপা সংস্কৰণ এটাৰ প্ৰকাশৰ পৰৱৰ্তী পৰ্যায়ত উদ্ভৱ হোৱা এক প্ৰত্যাহ্বানমূলক সমস্যা হ'ল ইয়াৰ বিতৰণৰ চিন্তা। ই-সংস্কৰণে সংগঠনটোৰ দায়িত্বশীল উপ-সমিতি তথা সদস্যসকলক চিৰদিনৰ বাবে উক্ত প্ৰত্যাহ্বানৰ পৰা মুক্তি দিব।

(৫) ই-সংস্কৰণ ৰূপে প্ৰকাশিত গণিত বিকাশৰ সফল ব্যৱস্থাপনাই অসম গণিত শিক্ষায়তনৰ কাম কাজ ৰাজ্যখনৰ বাহিৰলৈ প্ৰসাৰিত কৰাৰ সুযোগ সৃষ্টি কৰিব আৰু ইয়াক আন্তৰ্জাতিক স্তৰত পৰিচয় কৰাবলৈ সমৰ্থ হ'ব বুলি আশা কৰা যায়।

এনে পটভূমিত গণিত বিকাশক এখন ই-আলোচনীলৈ ৰূপান্তৰ কৰিবলৈ বিচৰা যুগান্তকাৰী সিদ্ধান্তক সংশ্লিষ্ট সকলো পক্ষই আন্তৰিকতাৰে আদৰি ল'ব নিশ্চয়!

প্ৰবীণ দাস

৬ চেপ্টেম্বৰ, ২০২০